


# সংসদত মহিলাৰ আসন সংৰক্ষণ / ৰাজনৈতিক দলৰ সদিচ্ছাৰ অভাৱ

কুশল কুমাৰ দাস

লোক সভাৰ নতুন সংসদ ভৱনত বৰ্তমান বৰ্ধিত আসনৰ সংখ্যা ৮৮৮ আছে যদিও ১৮সংখ্যক লোক সভাৰ ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত ৫৪৩গৰাকী নিৰ্বাচিত সদস্যৰ ৪৬৯জন পুৰুষ আৰু ইয়াৰ বিপৰীতে মহিলা মাত্ৰ ৭৪গৰাকী। এনে পুতৌজনক মহিলাৰ সংখ্যা দেখিলে অনুমান কৰিব পাৰি ৩৩ শতাংশ সংৰক্ষণৰ পক্ষত কিমানজন পুৰুষে মানসিকভাৱে এই আইনৰ প্ৰতি অন্তৰেৰে সমৰ্থন কৰাৰ আগ্ৰহ প্ৰকাশ কৰিব? পৰম্পৰাগত ৰাজনীতিত ৰাজনৈতিক ক্ষমতাৰে পুৰুষাণুক্ৰমে নিজৰ অস্তিত্ব জাহিৰ কৰি থকাসকলে কি আনন্দত বাৰু নিজৰ সিংহাসন মহিলাৰ হাতত অৰ্পণ কৰিব? দেশ সেৱা আৰু ৰাজনৈতিক নেতা হৈ পৰ্বতসম সম্পত্তিৰ অধিকাৰী হোৱা একে নহয়। দেশ সেৱাৰ লগত জড়িত হৈ থাকে ত্যাগৰ মহত্ত্ব; মুষ্টিমেয় কেইজনমান জনপ্ৰতিনিধিৰ বাহিৰে বেছিভাগে চকু-কাণ বন্ধ কৰি অন্ধ ধৃতৰাষ্ট্ৰৰ দৰে ক্ষমতাৰ যুদ্ধ প্ৰত্যক্ষ কৰি থাকে। ২০২৩ চনত ১০৬সংখ্যক সংবিধান সংশোধন প্ৰস্তাৱত গৃহীত হোৱা মহিলা সংৰক্ষণ আইন কি কাৰণত কাৰ্যকৰী নহ'ল? পুৰুষানুক্ৰমে সংসদ ভৱনত আধিপত্য বিস্তাৰ কৰাসকলে মহিলাক ৩৩ শতাংশ আসন এৰি দিবলৈ মানসিকভাৱে প্ৰস্তুত নথকাৰ পৰিণতি এয়া। তেনে দিগ্গজ নেতাৰ অগণিত সম্পত্তিৰ তালিকা পোহৰলৈ অহাৰ পাছতো বাৰে বাৰে নিৰ্বাচনত বিনাদ্বিধাই কি শক্তিৰ বলত অৱতীৰ্ণ হ'ব পাৰে? নিৰ্বাচনত জয়লাভেই তেনে প্ৰাৰ্থীৰ প্ৰধান লক্ষ্য আৰু পুৰুষ পৰম্পৰাক খামোচ মাৰি মহিলাৰ ৩৩ শতাংশ আসনকো আওকাণ কৰি চলে। তেনে লোকে ৰাজকীয় সুখৰ পৰা বঞ্চিত হোৱাৰ ভয়ত মহিলাৰ সাংবিধানিক অধিকাৰক অনুমোদন জনাই হাতৰ কুঠাৰ ভৰিত মাৰিব নিবিচাৰে। নিজৰ ৰাজনৈতিক জীৱনলৈ অন্ধকাৰ নামি আহিব বুলিয়ে মোদী চৰকাৰৰ নতুন সংযোজিত মহিলা সংৰক্ষণ বিলৰ বিৰোধিতা কৰা তেওঁলোকৰ ধৰ্ম। প্ৰতিজন পুৰুষ সাংসদৰ মনৰ কথা নজনাকৈ আৰু যেতিয়ালৈ মহিলা প্ৰতিনিধি ভাৰতৰ সংসদত সন্তোষজনক নহ'ব, তেতিয়ালৈ সংকট আঁতৰি নাযাব। কাৰণ পৰম্পৰাগত ৰাজনীতিত দলৰ স্বাৰ্থহে মূল কথা। গৰিষ্ঠসংখ্যক পুৰুষে বাৰু মহিলাৰ হাতত ৰাজকীয় ক্ষমতা, মৰ্যাদা আৰু সন্মান এৰি দিব বুলি ভাবিব পাৰেনে? কিমানজন সাংসদ ওলাব? য'ত নাৰী-পুৰুষৰ সমান অধিকাৰ বিচাৰি নাৰীক ৰাজনৈতিক ক্ষমতা আৰু অধিকাৰ তেওঁলোকৰ হাতত অৰ্পণ কৰিব। কেৱল ৰাজনৈতিক সুবিধা লাভৰ বাবে ইন্দিৰা গান্ধী, প্ৰতিভা সিং পাটিল, দ্ৰৌপদী মুৰ্মু, সুষমা স্বৰাজ, বসুন্ধৰা ৰাজে, মেনকা গান্ধী, বিজয়া চক্ৰৱৰ্তী, নাজমা হেপতুল্লা, স্মৃতি ইৰানী, মমতা বেনাৰ্জী আদিক কিছু সন্মান আৰু দায়িত্ব পালনৰ সুযোগ দিছে। পুৰুষ প্ৰধান সমাজৰ মানসিকতা আৰু বিচাৰধাৰা এতিয়াও তেজে তেজে বিয়পি আছে। ১৭ এপ্ৰিলত ১৩১সংখ্যক সংবিধান সংশোধন বিলৰ প্ৰতি ভাৰতৰ মহিলাই ব্যগ্ৰতাৰে অপেক্ষা কৰিছিল পুৰুষতান্ত্ৰিকতাই দিবলৈ বিচৰা ৩৩ শতাংশ সংৰক্ষণ বিলৰ অনুমোদনৰ খবৰটো পাবলৈ। কিন্তু বাট ভেটি থকা কণা-অন্ধ-কু-সংস্কাৰৰ পৰা মুক্ত হ'ব নোৱাৰা মুখাপিক্ষা স্বনামধন্যৰ কিছুসংখ্যকে এৰি নিদিলে। যিসকলে নাৰীক অবলা বুলি গণ্য কৰি আহিছে, তেওঁলোকৰ জ্ঞান চকু কেতিয়াও মুকলি নহয়। কেৱল বিৰোধৰ নামত বিৰোধিতাৰ ধৰ্ম পালনেই যদি দেশ সেৱা হয়, তেনেহ'লে প্ৰকৃত দেশ সেৱাৰ অৰ্থ নতুন প্ৰজন্মই কেনেদৰে বুজিব? সমঅধিকাৰৰ ঢাক-ঢোল বজোৱা কথাবোৰৰ মূল্য আছে বুলি ভাবিবই নোৱাৰি। তৎসত্ত্বেও সমাজত মহিলাৰ অগ্ৰগতি স্থবিৰ হোৱা নাই, বৰঞ্চ নিজৰ পাৰদৰ্শিতা আৰু ব্যুৎপত্তিৰ জৰিয়তে সকলো স্তৰতে মহিলাই নিজৰ ঈপ্সিত স্থান অনায়াসে পাবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত মানৱতাৰ পক্ষত থকাসকলে নিশ্চয় চিন্তা কৰিব যে সংসদত থকা বৃহৎসংখ্যক পুৰুষ সাংসদে মানসিকভাৱে মহিলাৰ প্ৰতি আসন এৰি দিবলৈ অন্তৰেৰে প্ৰস্তুত আছিল নে? সকলো সাংসদৰে হৃদয়বৃত্তিত উদাৰ অনুভৱ এটা গা কৰি উঠিছিল নে? বৰ্তমানৰ শাসনত থকা চৰকাৰে তিনিটা কাৰ্যকালত ২০২৩ চনতে গৃহীত হোৱা মহিলা আসন সংৰক্ষণ কাৰ্যকৰী কৰিবলৈ অপাৰগ হোৱাৰ পাছত পুনৰ নাৰীৰ প্ৰতি মহানুভৱতা প্ৰদৰ্শন কৰিবলৈ আন কেইবাটাও বিষয় সংযোজন কৰি নিজ দলৰ ব্যৰ্থতা আনলৈ ঠেলি দিয়াৰ কূটনৈতিক অভিপ্ৰায় দাঙি ধৰাৰ চেষ্টা কৰিছিল নেকি? উপস্থিত থকা ৫২৮গৰাকী জনপ্ৰতিনিধিৰ ২৯৮গৰাকীয়ে বিলখনৰ সপক্ষে ভোট দিয়াৰ বিপৰীতে ২৩০গৰাকীয়ে বিৰোধিতা কৰিছিল। শাসক-বিৰোধীৰ মহিলা সাংসদসকলে বাৰু কি স্থিতি লৈছিল? নিয়মানুসৰি দুই তৃতীয়াংশ বিলৰ সপক্ষে ভোটদান নহ'ল; পূৰ্বতে গৃহীত হোৱা আইনক পুনৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰে সংসদত উত্থাপন কৰাৰ ৰহস্য বুজা নাযায়! সাংসদসকলৰ মতদানৰ ঐতিহাসিক পৰিঘটনাই নাৰীৰ আত্মসন্মানত আঘাত দিলে আৰু বাৰে বাৰে অনাগত দিনত এনে পৰিঘটনা চলিয়েই থাকিব; নাৰীৰ আত্মসন্মানক লঘু কৰি ৰাখিব। বিৰোধীয়ে বিৰোধ কৰাৰ কাৰণ হিচাপে উল্লেখ কৰিছে যে বিলখনৰ লগত সমষ্টি পুনৰ নিৰ্ধাৰণ আইন-২০২৬, কেন্দ্ৰীয়শাসিত প্ৰদেশ আইন-২০২৬ আৰু নাৰী শক্তি বন্দন অধিনিয়ম সংযোজনৰ বাবে সমষ্টিবোৰত আসন বিতৰণত বিশৃংখল অৱস্থাৰ সৃষ্টি হ'ব পাৰে; তেনে এক কাৰণতে বিৰোধীয়ে কেৱল ২০২৩ চনৰ মহিলা আসন সংৰক্ষণ আইনক সমৰ্থন জনোৱাৰ ইংগিত দাঙি ধৰি বিৰোধিতাৰ ধৰ্ম অব্যাহত ৰাখিছে। মূঠৰ ওপৰত মাছ বুলি নাখাই জিজি বুলি খাব বিচৰা এক অজুহাত দেখুৱাই নাৰীৰ প্ৰতি যে কোনো বিৰোধিতা নাই, তাকে ক'বলৈ বিচাৰিছে। এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব পাৰি যে ভাৰতীয় গণতন্ত্ৰত ৰাজনৈতিক দলৰ শাসনত চৰকাৰ বৰ্তি থাকে। এই দলবোৰে মহিলা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়াৰ বাবে কিয় কৃপণালী কৰে? যিসকল মহিলাক প্ৰাৰ্থিত্ব দিয়ে, তাতো এৰাব নোৱৰা গোপন অভিসন্ধি লুকাই থাকে। আসনৰ অংক মিলাবলৈ দলবোৰে প্ৰায়ে সাংস্কৃতিক, খেল তথা সামাজিক মাধ্যমৰ জনপ্ৰিয় তাৰকাক প্ৰাৰ্থী হিচাপে আগবঢ়ায়। জনপ্ৰিয়তাৰ খাতিৰত জনতাক পণবন্দী কৰি সংখ্যাগৰিষ্ঠতাৰ স্বাৰ্থত মহিলাক সুযোগ দিয়া হয়। ৰাজ্যসমূহৰ মহিলা সাংসদৰ প্ৰতিনিধিত্বৰ পিনে দৃষ্টি নিবদ্ধ কৰিলে দেখা যায় যে উত্তৰ প্ৰদেশত ২০২৪-ৰ নিৰ্বাচনত মুঠ ৮০খন আসনৰ ভিতৰত কেৱল ৭গৰাকী মহিলা সাংসদ, বিহাৰত ৪০খনৰ ভিতৰত ৫গৰাকী, মহাৰাষ্ট্ৰত ৪৮খনৰ ভিতৰত ৭গৰাকী, তামিলনাডুত ৩৯খনৰ ভিতৰত মাত্ৰ ৩গৰাকী, অসমত ১৪খনৰ ভিতৰত কেৱল গুৱাহাটীৰ পৰা বিজুলী কলিতা মেধি একমাত্ৰ সাংসদ। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ মুঠ ২৫খন আসনৰ ভিতৰত মাত্ৰ দুগৰাকী মহিলা সাংসদ; ইয়াৰে এগৰাকী ত্ৰিপুৰাৰ। এনেদৰে প্ৰতিখন ৰাজ্যৰ তালিকাখন চকু ফুৰালে দেখা যায় যে মহিলা সাংসদৰ সংখ্যা একেবাৰে পুতৌজনক। এই ক্ষেত্ৰত ৰাজনৈতিক দলবোৰেই ইয়াৰ বাবে মুখ্যতঃ জগৰীয়া বুলি বিনাদ্বিধাই ক'ব পাৰি। ৰাজনৈতিক দলবোৰে পৰস্পৰক দোষাৰোপ কৰি জনমানসত কেতিয়াও ধোৱা তুলসীৰ পাত হ'ব নোৱাৰে। এন ডি এ চৰকাৰৰ তিনিটা কাৰ্যকালৰ শেষৰফালে মহিলা সংৰক্ষণৰ ক্ষেত্ৰত আইনখনক কাৰ্যকৰী নকৰিলে, বৰঞ্চ চৰ্বিত চৰ্বন কৌশল অৱলম্বন কৰি পুনৰ আইন সংশোধনৰ প্ৰক্ৰিয়াৰে জনমানসৰ মনত আস্থা লাভৰ প্ৰয়াস চলালে। বৰ্তমান লোক সভাৰ ৫৪৩খন আসনৰ ভিতৰত মাত্ৰ ৭৪খন আসনহে মহিলাৰ, ইয়াৰ বিপৰীতে ৪৬৯জন পুৰুষ সাংসদে সংসদ ভৱনত গিজগিজাই আছে। বছৰ বছৰ ধৰি পুৰুষৰ আধিপত্য বিস্তাৰস্থলীত কোনজন পুৰুষে বাৰু নিজৰ নিগাজি স্থান এৰি দিবলৈ প্ৰস্তুত। নাৰীক হাঁহিয়াতৰ পাত্ৰ কৰিবলৈহে মুখত এটা পেটত এটা মাতব্বৰী ভাবনাৰে মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণ প্ৰতিষ্ঠাৰ এক প্ৰয়াস দাঙি ধৰিলে। শাসকপক্ষই জনপ্ৰিয়তাৰ এটি বাৰ্তা আৰু আস্থা ৰাইজৰ ওচৰত প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনাত বাধা দিবলৈ বিৰোধৰ নামত বিৰোধিতা প্ৰধান লক্ষ্য হৈ পৰিল। সেয়ে দুই ম'হৰ যুঁজত পুনৰ ২০২৩ চনতে গৃহীত হোৱা মহিলা সংৰক্ষণ আইন গেলেপা মাৰি থাকিল। ৰাজনৈতিক দলবোৰে প্ৰত্যক্ষ ভূমিকাৰে মহিলাৰ আসন সংৰক্ষণৰ বাবে নিজৰ স্থিতি স্থায়ী কৰাৰ উপায় আছে যদিও তেনে পদক্ষেপ লোৱা দেখা নাযায়। সংবিধান সংশোধন কৰি মহিলাক সংৰক্ষণৰ সুবিধা দিয়া ন্যায়সংগত যদিও লোক সভাত যেতিয়ালৈকে পুৰুষ জনপ্ৰতিনিধি গিজগিজাই থাকিব, তেতিয়ালৈকে সংশোধনৰ আশা নাই। পুৰুষ প্ৰতিনিধিৰ মানসিকতা যেতিয়ালৈ সলনি নহ'ব, মহিলাক লৈ ৰাজনৈতিক প্ৰৱঞ্চনা চলিয়েই থাকিব। দলবোৰে মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ বাবে নিজববীয়াকৈ নীতি নিৰ্ধাৰণ কৰিলেহে পুৰুষতান্ত্ৰিকতাৰ সাধাৰণীকৰণ হৈ মহিলা সবলীকৰণ বাস্তৱায়িত হোৱাত অৰিহণা যোগাব। অৰ্থাৎ প্ৰতিটো ৰাজনৈতিক দলে সকলো নিৰ্বাচনত ৩৩ শতাংশ মহিলাক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে প্ৰকৃত ন্যায় দিয়াৰ পথ সূচনা হ'ব। এই ক্ষেত্ৰত দলবোৰে মহিলাক লৈ সংৰক্ষণৰ ঐতিহাসিক সিদ্ধান্ত ল'ব পাৰে; প্ৰতিখন ৰাজ্যত ৰাজনৈতিক দলবোৰে ৩৩ শতাংশ মহিলাক নিৰ্বাচনৰ প্ৰাৰ্থী দিয়াটো বাধ্যতামূলক। নিৰ্বাচন আয়োগে নিৰ্দলীয় প্ৰাৰ্থীৰ বাদে সকলো দলক এই ক্ষেত্ৰত নিৰ্দেশনা দিয়াৰ ব্যৱস্থা থাকিলে কেতিয়াও মহিলাক বঞ্চিত কৰিব নোৱাৰিব। প্ৰতিটো ৰাজনৈতিক দলে মহিলাৰ প্ৰতি সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিলে স্বাভাৱিক ৰূপত সংসদত মহিলাৰ আসন সংৰক্ষণ বিল গৃহীত হোৱাত বাধা নাথাকিব। তেতিয়াহে মহিলাই ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণৰ নিশ্চিত পথ সূচনা হ'ব, অন্যথা প্ৰতিটো ৰাজনৈতিক দলে মহিলাক সন্তুষ্ট কৰাৰ নাটকবাজী সদায় চলি থাকিব।

লেখক যোৰহাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক,
■ ফোনঃ ৯১০১১-২২৬৩৮

> ৰাজনৈতিক দলবোৰে পৰস্পৰক দোষাৰোপ কৰি জনমানসত কেতিয়াও ধোৱা তুলসীৰ পাত হ'ব নোৱাৰে। এন ডি এ চৰকাৰৰ তিনিটা কাৰ্যকালৰ শেষৰফালে মহিলা সংৰক্ষণৰ ক্ষেত্ৰত আইনখনক কাৰ্যকৰী নকৰিলে, বৰঞ্চ চৰ্বিত চৰ্বন কৌশল অৱলম্বন কৰি পুনৰ আইন সংশোধনৰ প্ৰক্ৰিয়াৰে জনমানসৰ মনত আস্থা লাভৰ প্ৰয়াস চলালে। বৰ্তমান লোক সভাৰ ৫৪৩খন আসনৰ ভিতৰত মাত্ৰ ৭৪খন আসনহে মহিলাৰ,...




আমি সৰু থাকোঁতে বিহুৰ অনুষ্ঠান চাবলৈ গৈ লাউডস্পীকাৰত ঘোষণা শুনিছিলোঁ— 'আজিৰ সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান ইমানতে অন্ত পৰিল, শুভৰাত্ৰি।' এতিয়াও প্ৰশাসনে কঠোৰ নিয়ম বান্ধি দিয়ক। ৰাতিপুৱালৈ অনুষ্ঠান চলোৱাত বাধা আৰোপ কৰক।...

বিহুৰ বতৰত এটাৰ পাছত আনটো মতাৰ